তৃতীয় অধ্যায়
(Unit– III)

# উন্নয়ন প্ৰক্ৰিয়াত উদ্যোগ খণ্ডৰ ভূমিকা
# (ROLE OF INDUSTRIES IN DEVELOPMENT PROCESS)

## ভূমিকা *(Introduction)*

প্ৰায়বোৰ উন্নত অৰ্থনীতিৰ ইতিহাসে কয় যে এখন দেশে অৰ্থনৈতিক উন্নতি লাভ কৰিবলৈ অৰ্থনীতিখনৰ জাতীয় আয়লৈ ঔদ্যোগিকখণ্ডৰ অৱদান বৃদ্ধি পাব লাগিব। সেয়েহে ঔদ্যোগীকিৰণক অৰ্থনৈতিক উন্নয়নৰ এটা প্ৰধান কাৰক হিচাপে বিবেচনা কৰা হয়। গতিকে অনুন্নত তথা উন্নয়নশীল দেশসমূহৰ অৰ্থনৈতিক উন্নয়নৰ বাবে ঔদ্যোগীকণৰ ওপৰত গুৰুত্ব দিয়া উচিত বুলি উন্নয়ন অৰ্থনীতিবিদসকলে যুক্তি আগবঢ়াইছে।

মাক্সীয় দৃষ্টিকোণৰপৰা ঔদ্যোগীকৰণক ঠেক আৰু বহল দুয়োটা অৰ্থত প্ৰকাশ কৰিব পাৰি। ঠেক অৰ্থত, ই উৎপাদনকাৰ্য আৰু উৎপাদনৰ আহিলাসমূহৰ ব্যৱস্থাপনা আৰ উন্নয়নক বুজায়। আনহাতে বহল অৰ্থত, ই শিল্প বিপ্লৱৰ পৰিপূৰ্ণতা আৰু অৰ্থনীতি এখনৰ উদ্যোগৰ ওপৰত নিৰ্ভৰশীলতা বৃদ্ধিক বুজায়। এই দুয়োটা অৰ্থৰ সমন্বয় ঘটাই ক'ব পাৰি যে ঔদ্যোগীকৰণে উৎপাদনৰ আহিলাসমূহৰ উৎপাদনৰ বাবে গুৰু উদ্যোগৰ প্ৰতি ঠাক বুজায় আৰু লগতে ই গুৰু উদ্যোগে আগবঢ়োৱা সুবিধাৰদ্বাৰা অৰ্থনীতিখনত উদ্যোগভিত্তিক উৎপাদন কৌশলৰ পূৰ্ণ বিস্তাৰণক বুজায়। ঠেক অৰ্থত ই ঔদ্যোগীকৰণৰ আৰম্ভণি অৱস্থাক আৰু বহল অৰ্থত ই ঔদ্যোগীকৰণৰ চূড়ান্ত অৱস্থাক বুজায়। প্ৰকৃত অৰ্থত ঔদ্যোগীকৰণে আৰম্ভণি আৰু শেষ এই দুয়োটা অৱস্থাক সামৰি লয়।

## অৰ্থনৈতিক উন্নয়নত উদ্যোগৰ গুৰুত্ব
## *(Importance of industry in economic development)*

ইতিমধ্যে উল্লেখ কৰা হৈছে যে, উন্নত দেশৰ অভিজ্ঞতাৰ ভিত্তিত অৰ্থনীতিবিদসকলে ঔদ্যোগীকৰণক অৰ্থনৈতিক উন্নয়নৰ এক এৰাব নোৱৰা কাৰক হিচাপে বিবেচনা কৰিছে। এখন দেশৰ কেৱল অৰ্থনৈতিক



Scanned with CamScanner

দিশতে নহয়, সামাজিক আৰু মনোভংগীত আমূল পৰিৱৰ্তন আনিবলৈ উদ্যোগৰ সম্প্ৰসাৰণৰ প্ৰয়োজনীয়তা স্বীকাৰ কৰিবই লাগিব। অৰ্থনৈতিক উন্নয়নত ঔদ্যোগীকৰণে কেনে ভূমিকা পালন কৰিব পাৰে তাক চমুকৈ আলোচনা কৰা হ'ল-

(১) উন্নয়নশীল দেশসমূহৰ অৰ্থনৈতিক উত্তৰণৰ বাবে গাঁথনিমূলক পৰিৱৰ্তন হোৱাটো অতি প্ৰয়োজন। ইয়াৰ অৰ্থ হ'ল, এনে অৰ্থনীতিত প্ৰাথমিক খণ্ডৰ ওপৰত নিৰ্ভৰশীলতা কমাই উদ্যোগনিৰ্ভৰশীলতা বৃদ্ধি কৰিব লাগিব যাতে জাতীয় আয়ত প্ৰাথমিক খণ্ডৰ আপেক্ষিক বৰঙণি কমি উদ্যোগখণ্ডৰ আপেক্ষিক বৰঙণি বাঢ়ে। ইয়াৰ বাবে অনুন্নত তথা উন্নয়নশীল অৰ্থনীতিত ঔদ্যোগীকৰণৰ ব্যৱস্থা ল'ব লাগিব। এই ঔদ্যোগীকৰণে জনসাধাৰণৰ জীৱিকাৰ পথ সলনি হোৱাত সহায় কৰিব। কাৰণ ঔদ্যোগীকৰণৰ পৰিণামস্বৰূপে কৃষিখণ্ডৰপৰা শ্ৰম শ্ৰমিক আৰু মূলধনৰ একাংশ উদ্যোগ খণ্ডলৈ প্ৰৱাহিত হ'ব। কৃষি খণ্ডত নিম্নতমভাৱে জীৱন নিৰ্বাহ কৰা শ্ৰমিকে উদ্যোগ খণ্ডত অধিক আয় আহৰণৰকৰাৰপথ মুকলি কৰিব। এনে অৱস্থাত কৃষি আৰু উদ্যোগ উভয়তে সামূহিকভাৱে উৎপাদিকাশক্তি বৃদ্ধি হৈ অৰ্থনৈতিক উন্নতি সাধন হ'ব।

(২) উদ্যোগ খণ্ডৰ সম্প্ৰসাৰণে কৃষিখণ্ডৰ উন্নয়নৰ পথ মুকলি কৰে। কৃষিভিত্তিক উদ্যোগৰ সম্প্ৰসাৰণে কৃষিজাত দ্ৰব্যৰ চাহিদা বৃদ্ধি কৰি ইয়াৰ দৰ বৃদ্ধি ক ৰে। সেয়েহে কৃষিখণ্ডত মূলধনৰ প্ৰান্তীয় দক্ষতা বৃদ্ধি হৈ বিনিয়োগ বাঢ়ে, কৃষিভূমিৰ ব্যৱহাৰ কাম্য হৈ পৰে। আনহাতে আকৌ, উদ্যোগখণ্ডত নিয়োজিত শ্ৰমিকৰ আয় বাঢ়ি ভোগ দ্ৰব্যৰ চাহিদা বাঢ়ে। ইও কৃষিখণ্ডত খাদ্য-শস্যৰ উৎপাদন বৃদ্ধিৰ বাবে কৃষকক অনুপ্ৰাণিত কৰে। এনেকৈয়ে উদ্যোগৰ সম্প্ৰসাৰণে কৃষিখণ্ডকো সম্প্ৰসাৰিত কৰি অৰ্থনৈতিক উন্নয়ন দ্ৰুত কৰি তোলে।

(৩) ঔদ্যোগীকৰণে জাতীয় আয়ত উদ্যোগৰ আপেক্ষিক অংশ বৃদ্ধি কৰে। ই জনমূৰি আয় বৃদ্ধি কৰে। জনমূৰি আয় বৃদ্ধিয়ে জীৱন নিৰ্বাহৰ মানদণ্ড উন্নত কৰি সামূহিকভাৱে উৎপাদিকা শক্তি বৃদ্ধি হোৱাত সহায় কৰে। জনমূৰি আয় বৃদ্ধিয়ে আকৌ বজাৰ পৰিসৰ বৃদ্ধি কৰি অৰ্থনীতিখনে স্বপ্ৰণোদিতভাৱে উন্নতি লাভ কৰিব পৰা অৱস্থা এটা প্ৰদান কৰে। অৱশ্যে ইয়াৰ বাবে অৰ্থনৈতিক উন্নয়নৰ লগতে আয়ৰ সমবিতৰণৰ ব্যৱস্থাও গ্ৰহণ কৰিব লাগিব।

(৪) ঔদ্যোগীকৰণে নিয়োগ বৃদ্ধি হোৱাত সহায় কৰে। বিশেষকৈ শ্ৰমপ্ৰাবল্য কৌশলৰ প্ৰয়োগৰ জৰিয়তে সাধন হোৱা ঔদ্যোগীকৰণে তৎকালীনভাৱে নিয়োগৰ সুবিধা বৃদ্ধি কৰে। আনহাতে মূলধনপ্ৰাবল্য কৌশলৰ প্ৰয়োগৰ জৰিয়তে সাধন হোৱা ঔদ্যোগীকৰণে দীৰ্ঘকালত নিয়োগ বৃদ্ধি কৰে। নিয়োগ সুবিধা বৃদ্ধিয়ে জনবহুল উন্নয়নশীল দেশত প্ৰত্যক্ষভাৱে উন্নতি লাভ কৰাত সহায় কৰে।

(৫) ঔদ্যোগীকৰণে প্ৰত্যক্ষভাৱে উৎপাদন, আয় আৰু নিয়োগ বৃদ্ধিত সহায় কৰাৰ উপৰিও ই অৰ্থনৈতিক উন্নয়নৰ দিশত সমাজ বিৱৰ্তনত সহায় কৰে।



Scanned with CamScanner

(৬) ঔদ্যোগিকৰণৰ অন্যান্য গুৰুত্বসমূহ হ'ল -

- ঔদ্যোগীকৰণে নগৰ আৰু চহৰ অঞ্চল সৃষ্টি কৰা বাবে মানুহৰ দৃষ্টিভংগী সলনি হয়। মানুহে তাহানিৰ বৈৰাগ্য ভাব এৰি প্ৰগতিশীল মনোভাব গ্ৰহণ কৰে। সেয়েহে তেওঁলোক অধিক কৰ্মমুখী হৈ পৰে।
- ঔদ্যোগীক বিকাশৰ কালত মানুহে জীৱন সম্পৰ্কে নতুন ধাৰণা গ্ৰহণ কৰে। মানুহে অদৃষ্টৰ ঠাইত নিজৰ সামৰ্থৰে উন্নতি কৰিবলৈ চেষ্টা কৰে।
- স্ত্ৰীশিক্ষা আৰু কৰ্মৰ সম্প্ৰসাৰণ হয়। তেওঁলোকে ঘৰুৱা কৰ্ম পৰিসৰ চেৰাই কাল-কাৰখানা, কাৰ্যালয়ত সংস্থান লাভ কৰে।
- ঔদ্যোগীকৰণে এক শ্ৰেণী নতুন উদ্যোক্তাৰ জন্ম দিয়ে। কাৰণ ই এক সম্প্ৰসাৰণমুখী লাভজনক বজাৰ পৰিবেশৰ সূচনা কৰে। ফলত বিনিয়োগৰ সুবিধা বৃদ্ধি হয় আৰু সেয়েহে ক্ষতি-শংকা আৰু অনিশ্চয়তাৰ দায়িত্ব বহনৰ বাবে নতুন নতুন ব্যক্তিক আকৰ্ষিত কৰে।
- ঔদ্যোগীকৰণে মূলধন গঠন বৃদ্ধি কৰে। এহাতে ই শ্ৰমিক-কৰ্মচাৰীৰ আয় বৃদ্ধি কৰি সঞ্চয় সামৰ্থ বঢ়ায় আৰু আনহাতে নতুন নতুন কল-কাৰখানা, ৰাস্তা-ঘাট, শক্তিপ্ৰকল্প ইত্যাদি গঢ়ি তোলে।
- ঔদ্যোগীকৰণে অৰ্থনৈতিক বুনিয়াদ সবল কৰি তোলে। ইয়াৰদ্বাৰা উৎপাদনৰ বুনিয়াদী সুবিধা বৃদ্ধি পোৱাৰ লগতে জীৱন- যাত্ৰা প্ৰণালী উন্নত হয়।
- ঔদ্যোগীকৰণে ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ বিকাশতো সহায় কৰিব পাৰে। সম্প্ৰতি নমনীয় বিশেষীকৰণ (Flexible specialisation) নামেৰে এক নতুন কৌশলৰ আবিৰ্ভাৱ হৈছে। এই কৌশল অনুসৰি, এটা বৃহৎ উদ্যোগক প্ৰয়োজন হোৱা কেঁচামাল, যন্ত্ৰ-পাতি ইয়াৰ নিম্ন পৰ্যায়ৰ উদ্যোগে যোগান ধৰাৰ ব্যৱস্থা কৰা হয়। মূল উদ্যোগ হ'ল মাতৃ উদ্যোগ আৰু বাকীবোৰ হ'ল শিশু উদ্যোগ।
- আনহাতে উদ্যোগৰ অগ্ৰগামী আৰু পশ্চাৎগামী এই দুই প্ৰকাৰৰ পৰিণাম থাকে। এটা উদ্যোগৰ উৎপন্নৰ সহায়ত নতুন উদ্যোগ গঢ় লৈ উঠাক অগ্ৰগামী পৰিণাম আৰু সেই উদ্যোগটোক প্ৰয়োজন হোৱা দ্ৰব্যবিধক লৈ গঢ় লৈ উঠা উদ্যোগক পশ্চাৎগামী পৰিণামৰ অধীন কৰা হয়। এই দুইধৰণৰ পৰিণামৰ অধীনতে ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ গঢ় লৈ উঠে।
- ঔদ্যোগীকৰণে শ্ৰমিকৰ দক্ষতা বৃদ্ধি হোৱাত সহায় কৰে। উৎপাদন কৌশলত কাৰিকৰী আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগে শ্ৰমিকৰ উৎপাদিকা শক্তি বৃদ্ধি কৰে।
- উদ্যোগৰ সম্প্ৰসাৰণ আৰু উন্নীতকৰণে আভ্যন্তৰীণ আৰু বাহ্যিক মিতব্যয়িতা ভোগ কৰাত সহায় কৰে।

Scanned with CamScanner

৩৫ ই নতুনত্ব প্ৰৱৰ্তন, কাৰিকৰী উন্নতি, নতুন আৱিষ্কাৰ আৰু উদ্ঘাটনত অনুপ্ৰেৰণা যোগায়।

## ঔদ্যোগীকৰণত বাধা আৰোপ কৰা কাৰকসমূহ
## *(Factors impeding industrialisation)*

ঔদ্যোগীকৰণত বাধা আৰোপ কৰা কাৰকসমূহক অৰ্থনৈতিক, সামাজিক,জনসাংখ্যিক, প্ৰশাসনিক আৰু আন্তৰ্জাতিক- এই পাঁচটা ভাগত ভাগ কৰিব পাৰি।

**অৰ্থনৈতিক প্ৰতিবন্ধক :**

ঔদ্যোগীকৰণৰত বাধা আৰোপ কৰা অৰ্থনৈতিক প্ৰতিবন্ধকসমূহ হ'ল-

১. অনুন্নত দেশসমূহত উদ্যোগৰ সম্প্ৰসাৰণৰ বাবে প্ৰয়োজনীয় মূলধনৰ নাটনি হয়।
২. ইয়াত যাতায়াত, যোগাযোগ আৰু পৰিবহনৰ সুবিধা নিম্ন পৰ্যায়তে আছে।
৩. ঔদ্যোগীকৰণৰ কাৰ্যসূচী চলাই যাব পৰাকৈ দক্ষ কৰ্মচাৰী আৰু শ্ৰমিকৰ অভাৱ হয়। যি সীমিত সংখ্যক দক্ষ ব্যক্তি থাকে তেওঁলোকো উন্নত ৰাষ্ট্ৰলৈ উন্নত সংস্থাপনৰ প্ৰয়োজনত গুচি যায়।
৪. শক্তিৰ যোগানো যথোপযুক্ত নহয়।
৫. উদ্যোগৰ যোগান সীমিত হোৱা বাবে ঔদ্যোগীকৰণৰ পথত উদ্ভৱ হোৱা ক্ষতি-শংকা আৰু অনিশ্চয়তা বহন কৰা ব্যক্তিৰ সংখ্যা কম হয়।
৬. অনুন্নত অৰ্থনীতিত মুদ্ৰা আৰু মূলধনৰ বজাৰো অনুন্নত হয়। ইত্যাদি।

**সামাজিক প্ৰতিবন্ধক :**

নিম্নোল্লিখিত সামাজিক প্ৰতিবন্ধকসমূহে ঔদ্যোগীকৰণত বাধা আৰোপ কৰে -

১. যৌথ পৰিয়াল ব্যৱস্থা উপস্থিতি ঘটা বাবে ব্যক্তিগতভাৱে উদ্যমলোৱা,ঘৰ ত্যাগ কৰি দূৰৈত কাম কৰা,ক্ষতি-শংকা আৰু অনিশ্চয়তাৰ দায়িত্ব বহন কৰা ইত্যাদিত বাধা আহি পৰে।
২. গাঁৱৰ মোহ ত্যাগ কৰিব নোৱৰা কাৰ্যই দূৰৈত নিয়োজিত শ্ৰমিকৰ আয়ৰ একাংশ আৰু সময়ৰ অপচয় ঘটে।
৩. অদূৰদৰ্শিতা, অনুৎপাদনমূলক ব্যয়-গাঁথনি, প্ৰদৰ্শন পৰিণামৰ প্ৰকোপ ইত্যাদিৰ বাবে সঞ্চয় আৰু মূলধন গঠনৰ হাৰ নিম্ন হয়।
৪. অৱসাদগ্ৰস্তা, বৈৰাগ্যতা, ধৰ্মীয় কাৰ্যকলাপৰ মাত্ৰা বৃদ্ধি,ধৰ্ম আৰু পৰম্পৰাভিত্তিক মৰ্যদা আৰু মূল্যবোধৰ উপস্থিতি ইত্যাদিয়ে শ্ৰমিকৰ যোগানত অস্থিতিস্থাপকতা আৰু উৎপাদনমূলক কাৰ্যকলাপত অস্থিৰতাৰ সূচনা কৰে।
৫. ভাষিক, ধৰ্মীয়,ৰীতি-নীতি ইত্যাদি ভিন্নতাই শ্ৰমিকৰ চলনশীলতা হ্ৰাস কৰে।



Scanned with CamScanner

**জনসাংখ্যিক প্ৰতিবন্ধক :**

ঔদ্যোগীকৰণত বাধা আৰোপ কৰা জনসাংখ্যিক প্ৰতিবন্ধকসমূহ হ'ল-

১. দ্ৰুত হাৰত পোৱা জনসংখ্যাই উন্নয়শীল দেশত উদ্যোগৰ বাবে প্ৰয়োজনীয় মূলধন আন দিশত বিনিয়োগ কৰাত বাধ্য কৰায়। নিম্নতম জীৱন নিৰ্বাহ পৰ্যায়তে বৰ্দ্ধিত জনসংখ্যাৰ বাবে বৰ্দ্ধিত আয় প্ৰয়োগ কৰা বাবে উৎপাদনমূলক দিশত বিনিয়োগ কৰিবলৈ আয়ৰ পৰা বাহি নাথাকে।

২. ভূমিৰ ওপৰত জনসংখ্যাৰ বৰ্দ্ধিত চাপে ভূমিক ক্ষুদ্ৰাতিক্ষুদ্ৰ অংশত বিভক্ত কৰি ইয়াৰ উৎপাদনশীলতা হ্ৰাস কৰা বাবে অনুন্নত দেশৰ কৃষিখণ্ডই উদ্যোগৰ বিকাশৰ বাবে প্ৰয়োজন হোৱা কেঁচামালৰ যোগান ধৰিব নোৱাৰে।

৩. দ্ৰুত হাৰত জনসংখ্যা বৃদ্ধি পোৱা বাবে মানৱ সম্পদৰ বিকাশত মন্থৰতাই দেখা দিয়ে আৰু উদ্যোক্তাৰ যোগান ঔদ্যোগীকৰণৰ লগত সংগতি থকা ধৰণৰ হোৱা নাই।

**প্ৰশাসনিক প্ৰতিবন্ধক :**

ঔদ্যোগীকৰণত বাধা আৰোপ কৰা প্ৰশাসনিক প্ৰতিবন্ধকসমূহ হ'ল -

১. অনুন্নত অৰ্থনীতিত প্ৰশাসন ব্যৱস্থা দুৰ্বল আৰু ৰাজনৈতিক স্বাৰ্থৰ অনুকূলে প্ৰশাসনিক কাৰ্যকলাপ চলে। পৰিণামস্বৰূপে বহু সময়ত প্ৰশাসনিক কাৰ্যকলাপ ঔদ্যোগীকৰণৰ পৰিপন্থী হৈ পৰে।

২. অনুন্নত অৰ্থনীতিত প্ৰশাসন ব্যৱস্থা অতি দুনীৰ্তিপৰায়ণ হৈ পৰা দেখা গৈছে। ইয়াৰ পৰিণামস্বৰূপে সম্পদৰ অপব্যৱহাৰ আৰু অপচয় বাঢ়িছে।

৩. প্ৰশাসনিক অৱসাদ গ্ৰস্ততাৰ বাবে কোনো এক উৎপাদনমূলক দিশত লোৱা সিদ্ধান্ত কাৰ্যকৰী হোৱাত অযথা পলম হয়। ইত্যাদি।

**আন্তৰ্জাতিক প্ৰতিবন্ধক :**

ঔদ্যোগীকৰণত বাধা আৰোপ কৰা আন্তৰ্জাতিক প্ৰতিবন্ধকসমূহ হ'ল -

১. অনুন্নত অৰ্থনীতিৰ মুদ্ৰা আৰু মূলধনৰ বজাৰো অনুন্নত হয়।

২. উন্নয়নৰ আৰম্ভণিতে উৎপাদন কৌশল আমদানি কৰিবলগীয়া হয়। কিন্তু আমদানিৰ সমানে ৰপ্তানি নবঢ়া বাবে উন্নয়নশীল দেশৰ বৈদেশিক লেন-দেন পৰিশোধত ঘাটিৰ উদ্ভৱ হয়।

৩. অনুন্নত তথা উন্নয়শীল দেশসমূহে ঘাইকৈ কৃষিজাত দ্ৰব্য ৰপ্তানি কৰি উদ্যোগজাত দ্ৰব্য আমদানি কৰে। কিন্তু আন্তৰ্জাতিক বাণিজ্যৰ অভিজ্ঞতাৰপৰা দেখা গৈছে যে বাণিজ্যিক বিনিময় হাৰ সদায় উদ্যোগজাত দ্ৰব্যৰ অনুকূলে আৰু কৃষিজাত দ্ৰব্যৰ প্ৰতিকূলে নিৰ্দ্ধাৰিত হয়।

৪. বহু সময়ত আকৌ উন্নত দেশে উন্নয়শীল দেশৰ আমদানিৰ ওপৰত প্ৰতিবন্ধকতা আৰোপ কৰি এইবোৰ দেশৰ উদ্যোগৰ বিকাশত বাধা জন্মায়।

৫. সম্প্ৰতি গোলকীয়কৰণ আৰু উদাৰীকৰণৰ যুগত বিশ্ববাণিজ্য সংস্থাৰ উপস্থিতিয়ে উন্নয়নশীল দেশৰ স্থানীয় উদ্যোগৰ বিকাশত বাধা জন্মাইছে। ইত্যাদি।



Scanned with CamScanner